**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-02-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::

১। পৰীক্ষাৰ সময়ত মানসিক চাপৰ পৰা কিদৰে মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানত শিক্ষাৰ্থীৰ সৈতে মত-বিনিময় কৰে।

২। দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু আৰু কাশ্মীৰত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কথুৱা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে।

৩। বেটী বচাও বেটী পঢ়াও আঁচনি নীতিগত পদক্ষেপৰ পৰা জাতীয় আন্দোলনলৈ ৰূপান্তৰিত হৈছে বুলি মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে প্ৰকাশ কৰে।

৪। চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৩ কোটি ৮৭ লাখৰো অধিক অধিক ঘৰত অনুমোদন জনাইছে।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত প্ৰধানমন্ত্ৰীয়ে পৰীক্ষাৰ সময়ত কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দি কয়, যে কোনো দুজন ব্যক্তিৰ চিন্তা-ধাৰা কেতিয়াও একে হ'ব নোৱাৰে। তেওঁ কয়, যে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে পঢ়াৰ এটা নিৰ্দিষ্ট শৈলী থাকে আৰু তেওঁলোকে পৰীক্ষাৰ বাবে নিজৰ প্ৰস্তুতিৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব লাগে। শিক্ষাৰ্থীসকলে লগতে শিক্ষক আৰু অভিভাৱকসকলে দিয়া পৰামৰ্শসমূহ ভালদৰে অনুধাৱন কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলে অন্ধভাৱে আনক অনুকৰণ কৰাৰ পৰিৱৰ্তে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে যিকোনো পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শিকন ক্ষমতা সন্দৰ্ভত সংবেদনশীল হ'বলৈ পৰামৰ্শ আগবঢ়ায়।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি জম্মু আৰু কাশ্মীৰত উপস্থিত হয়। তেওঁ কথুৱা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ হীৰানগৰ খণ্ডৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সীমান্ত সুৰক্ষা বাহিনীৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ শুভাৰম্ভ কৰে। তেওঁ লগতে সীমান্ত নিৰাপত্তাৰ লগত জড়িত জোৱানসকলৰ সৈতে মত বিনিময়ো কৰে। শ্ৰীশ্বাহে জম্মু লোকভৱনত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা পৰ্যালোচনা বৈঠকতো অধ্যক্ষতা কৰে। এই বৈঠকত সীমান্ত আৰু আভ্যন্তৰীণ নিৰাপত্তাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। কাইলৈ পুৱা গৃহমন্ত্ৰীগৰাকীয়ে জম্মু-কাশ্মীৰৰ উন্নয়নৰ বাবে আন এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। যোৱা নিশা জম্মুত উপস্থিত হোৱা উপ-ৰাজ্যপাল মনোজ সিন্‌হাই বিমান বন্দৰত আদৰণি জনায়।

০০০০০০০

বেটী বচাও বেটী পঢ়াও আঁচনি নীতিগত পদক্ষেপৰ পৰা জাতীয় আন্দোলনলৈ ৰূপান্তৰিত হৈছে। এই আঁচনিয়ে চৰকাৰী সংস্থা, বিভিন্ন সম্প্ৰদায়, সংবাদ মাধ্যম, নাগৰিক সমাজ আৰু জনসাধাৰণকে ধৰি বিভিন্ন অংশীদাৰক একত্ৰিত

কৰিছে। লোকসভাত আজি এটা লিখিত প্ৰশ্নৰ উত্তৰত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাষ্ট্ৰীয় পৰ্যায়ত জন্মৰ সময়ত লিংগ অনুপাত ২০১৪-১৫ চনত ৯১৮ৰ পৰা ২০২৪-২৫ চনত ৯২৯লৈ বৃদ্ধি হৈছে। মাধ্যমিক বিদ্যালয় পৰ্যায়ত ছোৱালীৰ নামভৰ্তিৰ অনুপাত ২০১৪-১৫ বৰ্ষত ৭৫ দশমিক ৫-১ শতাংশৰ পৰা ২০২৪-২৫ বৰ্ষত ৮০ দশমিক ২ শতাংশলৈ বৃদ্ধি হৈছে। ২০১৫ চনৰ ২২ জানুৱাৰীত লিংগ বৈষম্য দূৰ কৰা আৰু নাৰী সবলীকৰণৰ উদ্দেশ্যে বেটী বচাও বেটী পঢ়াও আঁচনি আৰম্ভ কৰা হৈছিল বুলি শ্ৰীমতী দেৱীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু ডি এম কেৰ সাংসদসকলে চৰকাৰবিৰোধী শ্লোগান দিয়ে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়াগৰাকীয়ে সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগ কৰিবলৈ সাংসদসকলক আহ্বান জনাই তেওঁলোকক নিজৰ নিজৰ আসনলৈ উভতি যাবলৈ অনুৰোধ কৰে। বিৰোধী পক্ষৰ হুলস্থূলীয়া পৰিবেশৰ মাজতে মন্ত্ৰীসকলে সংশ্লিষ্ট মন্ত্ৰালয়ৰ কাম-কাজসমূহ আগবঢ়াবলৈ প্ৰয়াস কৰে। অধ্যক্ষগৰাকীৰ বাৰম্বাৰ অনুৰোধৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০

চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৩ কোটি ৮৭ লাখৰো অধিক অধিক ঘৰত অনুমোদন জনাইছে। আজি ৰাজ্যসভাত লিখিত উত্তৰত গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ চন্দ্ৰশেখৰ পেম্মাছানিয়ে চলিত মাহৰ ২ তাৰিখলৈ ২ কোটি ৯৫ লাখৰো অধিক বাসগৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে বিগত পাঁচ বছৰৰ ভিতৰত ২ কোটি ১০ লাখ ৬৬ হাজাৰতকৈও অধিক বাসগৃহ নিৰ্মাণৰ অনুমোদন জনোৱা হৈছে। উল্লেখযোগ্য যে গ্ৰামোন্নয়ন মন্ত্ৰালয়ে ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৯ চনৰ মাৰ্চ মাহৰ ভিতৰত ৪ কোটি ৯৫ লাখ গৃহ নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি জাপানৰ গুন্মা প্ৰেফেকচাৰৰ গৱৰ্ণৰ ইচিতা য়ামাম'ট'ক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰীমাৰ্ঘেৰিটাই কয় যে গুন্মা প্ৰেফেকচাৰ ৰাজ্য হৈছে ভাৰত আৰু জাপানৰ কৌশলগত আৰু অংশীদাৰিত্বৰ দিশত গুৰুত্বপূৰ্ণ স্তম্ভ। গুন্মা প্ৰেফেকচাৰৰ গৱৰ্ণৰে জাপানৰ বেংক আৰু ব্যৱসায়ৰ প্ৰতিনিধিৰ সৈতে ভাৰত ভ্ৰমণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ উৎপাদন, প্ৰযুক্তি, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, ষ্টাৰ্টআপ আৰু পৰৱৰ্তী প্ৰজন্মৰ বাবে আন্তঃগাঁথনিৰ বিভিন্ন দিশত দুয়োখন দেশৰ সহযোগিতা সুদৃঢ় কৰাৰ বাবে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে।

০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ তাছখাইত ছুটাংগাত কয়লা খননৰ সময়ত ব্যৱহৃত ডিনামাইটৰ বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১৯লৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে কালি সংঘটিত বিস্ফোৰণত পাহাৰৰ অংশ খহি পৰি ভালেসংখ্যক শ্ৰমিকৰ মৃত্যু হৈছিল। খনিৰ ভিতৰত এতিয়াও ভালেসংখ্যক লোক আবদ্ধ হৈ আছে। ইয়ালৈ চাই মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। ঘটনাস্থলীত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু আৰক্ষী বাহিনীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। নিহতসকলৰ ভিতৰত অসমৰ কাছাৰৰ কাটিগড়াৰ তিনিজন শ্ৰমিক আছে।

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই জয়ন্তীয়া পাহাৰৰ কেবিনেট মন্ত্ৰী লখমেন ৰাইমবুই আৰু ৱাইলাডমিকি ছ্যাল্লাক পৰিস্থিতি পৰ্যবেক্ষণৰ বাবে নিৰ্দেশ দিছে। উদ্ধাৰ হোৱা ৮গৰাকী আহতৰ ভিতৰত ছগৰাকীক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে আৰু আন দুজনক জয়ন্তীয়া পাহাৰতেই চিকিৎসা প্ৰদান কৰি থকা হৈছে। উল্লেখযোগ্য যে এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০

জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৫০ অভাৰত ৯ টা উইকেট

হেৰুৱাই ৪১১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০ টা বলত ১৭৫ ৰান কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ২৩ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮৪ ৰান কৰি খেলি আছে।

০০০০

পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোট্ৰাই ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিশ্বাসযোগ্য, নাগৰিককেন্দ্ৰিক আৰু প্ৰগতিশীল বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ কয় যে ২০১৪-১৫ বৰ্ষৰ ১৮ লাখ কোটি টকাৰ তুলনাত এই বছৰ বাজেট ৫৩ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। চৰকাৰী পদক্ষেপসমূহে এই ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব চি বি জৰ্জে আজি লিথুৱেনিয়াৰ বৈদেশিক সচিবক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে বৈঠকৰ সময়ত দুয়োপক্ষই ভাৰত-লিথুৱেনিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ ওপৰত আলোচনা কৰে বুলি প্ৰকাশ কৰে। তেওঁ লগতে দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো আলোচনা কৰে বুলি উল্লেখ কৰে।

০০০০

হাৰিয়ানাৰ ফৰিদাবাদত ৩৯ সংখ্যক সুৰযকুণ্ড আন্তঃৰাষ্ট্ৰীয় শিল্প মেলা সুচাৰুৰূপে চলি আছে। এই বছৰৰ এই মেলাৰ বিষয়বস্তু হৈছে - ভোকেল ফৰ গ্লোবেল অৰ্থাৎ গোলকীয় পৰ্যায়ত থলুৱা উৎপাদন। এই মেলাত উত্তৰ প্ৰদেশ আৰু মেঘালয়ক বিশেষ ৰাজ্য হিচাপে চিহ্নিত কৰি ৰাজ্য দুখনৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰা হৈছে। ইজিপ্তেও এই মেলাত অংশীদাৰি ৰাষ্ট্ৰ হিচাপে অংশগ্ৰহণ কৰিছে। সুৰযকুণ্ড মেলাত শিল্পীসকলৰ বিভিন্ন প্ৰতিভা আৰু আত্মনিৰ্ভৰশীলতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এই মেলাই দেশৰ লগতে বিদেশৰ শিল্পীসকলকো এখন আন্তঃৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰিছে, য'ত বিভিন্ন অঞ্চলৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হৈছে। জনসাধাৰণে এই মেলাত বিভিন্ন ৰাজ্যৰ খাদ্যসম্ভাৰ, সংস্কৃতি আৰু হস্তশিল্পৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

০০০০

পশ্চিম নেপালত বিবাহ যাত্ৰীৰ বাহন দুৰ্ঘটনাত পতিত হোৱাৰ ফলত ১৩গৰাকী লোকৰ মৃত্যু হয়। ইয়াৰে ৮ গৰাকী লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন পাঁচগৰাকী লোকৰ দদেলধুৰা হাস্পতালত মৃত্যু হয়। কালি সংঘটিত এই দুৰ্ঘটনাটোত ৩৪গৰাকী লোক চিকিৎসাধীন হৈ আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ